# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-01-2025
**Time :** 1715 Hrs

## ***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অসমৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় গড়তকৈ বৃদ্ধি পাইছে বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এই কথা উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ৰাজ্যৰ জনমূৰি আয় পূৰ্বৰ তুলনাত বৃদ্ধি পোৱাত সন্তোষ প্ৰকাশ কৰে।

বহুকেইখন নতুন বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠান নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ শিক্ষা খণ্ডৰ আন্তঃগাঁতনি উন্নয়ন অভূতপূৰ্বভাৱে বৃদ্ধি পোৱা বুলি তেওঁ প্ৰকাশ কৰে।

গ্ৰামাঞ্চলৰ উন্নয়ন বৰ্তমানৰ চৰকাৰখনে উচ্চ অগ্ৰাধিকাৰ বিষয় হিচাপে গণ্য কৰি আহিছে বুলি শ্ৰীআচাৰ্যই উল্লেখ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ উপৰি বহনক্ষম বিকাশৰ বাবে পদক্ষেপ লৈ থকা হৈছে। ইয়াৰ অংশ স্বৰূপে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত বৰ্তমানলৈ ১৯ লাখ ৫০ হাজাৰ পকী গৃহ নিৰ্মাণ কৰা হৈছে বুলি ৰাজ্যপালগৰাকীয়ে জানিবলৈ দিয়ে। গ্ৰামীণ নিয়োগৰ ক্ষেত্ৰত এম জি এনৰেগাৰ অধীনত বহু লোকে কৰমসংস্থাপন লাভ কৰিছে। ইপিনে ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ দ্বাৰা ১০০ শতাংশ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰণকৰণৰ দিশত অসমে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰাৰ কথাও ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই তেওঁৰ ভাষণত কয় যে অসম চৰকাৰে যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে। ড্ৰাগছ সৰবৰাহ, মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধ, বাল্য বিবাহ, মানৱ সৰবৰাহ, বন্যপ্ৰাণী সৰবৰাহ, চাইবাৰ অপৰাধ আদিৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ নীতি গ্ৰহণ কৰা বুলি তেওঁ উল্লেখ কৰে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আমাৰ ৰাষ্ট্ৰখনক এখন বিকশিত ৰাষ্ট্ৰলৈ লৈ যোৱাৰ অমৃত যাত্ৰাৰ সহযোগী হ'বলৈ ৰাজ্যবাসীলৈ আহ্বান জনাইছে। ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৭৬ সংখ্যক ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ৰাজ্যত শান্তিৰ নিজৰা ব'বলৈ আৰম্ভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যোৱা কেইবছৰমানৰ  ভিতৰত ৰাজ্যখনৰ কেইবাটাও উল্লেখযোগ্য সফলতাৰ বিষয়ে আলোকপাত কৰে।

২০২৪ চনত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰা, চৰাইদেউৰ মৈদামক্ষেত্ৰসমূহে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভ কৰা, বিহুৱে গিনিজ বুক ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ কৰা, লাচিত বৰফুকনৰ প্ৰতিমুৰ্তিয়ে দেশৰ ভিতৰতে অনন্য স্থান পোৱা আদি বিষয়সমূহত  মুখ্যমন্ত্ৰীয়ে আলোকপাত কৰে। মুখ্য মন্ত্ৰী

শ্ৰীশৰ্মাই ষ্টাৰ্ট আপ সমূহৰ প্ৰগতি সুনিশ্চিত কৰাৰ অৰ্থে ৰাজ্যত প্ৰথমবাৰৰ বাবে ষ্টাৰ্টআপ বিভাগ সৃষ্টি কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ ষ্টাৰ্টআপসমূহক নতুন অসমৰ অৰ্থনৈতিক নৱজাগৰণ বুলি আখ্যা দিয়ে। তদুপৰি ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰীৰ বাবে পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰা হ'ব বুলিও তেওঁ সদৰি কৰে। তেওঁ ২০০৫ চনৰ পূৰ্বে নিয়োগ প্ৰক্ৰিয়া আৰম্ভ হোৱা কৰ্মচাৰীসকলক পুৰণি পেঞ্চন ব্যৱস্থাৰ সুবিধা প্ৰদান কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই ডিব্ৰুগড়, তেজপুৰ, আৰু শিলচৰ চহৰক মহানগৰলৈ উন্নীত কৰাৰ বাবে আন্তঃগাথনি উন্নয়ন সাধন কৰাৰ ব্যৱস্থা কৰা হৈছে বুলিও উল্লেখ কৰে। তেওঁ লগতে কয়, যে ২০২৭ চনৰ পূৰ্বে ডিব্ৰুগড়ত এখন বিধানসভা চৌহদ নিৰ্মাণ কৰা হ'ব। ডিব্ৰুগড় ৰাজ্যৰ দ্বিতীয় ৰাজধানী হ'ব বুলিও তেওঁ সদৰি কৰে। ইপিনে, তেজপুৰতো এটা ৰাজ ভৱন নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কয়, যে তেজপুৰ চহৰখন ৰাজ্যৰ সাংস্কৃতিক ৰাজধানী হিচাপে গঢ় দিয়া হ'ব। তেওঁ শিলচৰতো ক্ষুদ্ৰ সচিবালয় তথা মুখ্য সচিবৰ কাৰ্যালয় নিৰ্মাণৰ পৰিকল্পনাৰ বিষয়ে সদৰি কৰে।

০০০

৭৬ সংখ্যক গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি দেশৰ ১৩৯ গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম সন্মান আগবঢ়োৱা হৈছে। অসমৰ প্ৰখ্যাত নৃত্য শিল্পী তথা সত্ৰীয়া সংস্কৃতিৰ সাধক যতীন গোস্বামীক পদ্ম বিভূষণ সন্মান আগবঢ়োৱা হৈছে। ১৯৩৩ চনত জন্ম গ্ৰহণ কৰা এইগৰাকী শিল্পীলৈ ভাৰত চৰকাৰে ২০০৮ চনত পদ্মশ্ৰী সন্মান আগবঢ়াইছিল। ইয়াৰ পূৰ্বে ২০০৪ চনত তেওঁ সংগীত নাটক একাডেমী বঁটা লাভ কৰে। অসম নাট্য সন্মিলন বঁটা, আনন্দ মোহন ভাগৱতী নৰ্তন বঁটা, ভৱেন্দ্ৰ নাথ শইকীয়া ভ্ৰাম্যমান থিয়েটাৰ বঁটাকে ধৰি যতীন গোস্বামীয়ে বহু বঁটা সন্মান লাভ কৰিছে। নৃত্য চৰ্চাৰ লগতে শ্ৰীগোস্বামীয়ে নৃত্য বিষয়ক কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। তেওঁ মাটি আখৰা, নৃত্য পৰিভাষিক শব্দ আৰু সংজ্ঞা, নৃত্যৰ শিক্ষা, নৃত্যৰ প্ৰাথমিক হস্ত পৰিচয় আদিকে ধৰি কেইবাখনো নৃত্য নাটিকা ৰচনা কৰিছে। লেখক, সাংবাদিক পুলিন কলিতাই ৰচনা কৰা শিল্পীগৰাকীৰ জীৱনী গ্ৰন্থ **ঐ ছন জনম গোৱাই** প্ৰকাশ পাইছে। এই সন্মানৰ বিষয়ে নিজৰ অনুভৱ প্ৰকাশ কৰি আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত শিল্পীগৰাকীয়ে এইদৰে কয় ঃ-

বাইট

০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত ৰাষ্ট্ৰীয় পতাকা উৰুৱায়।

শ্ৰীসোণোৱালে লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। বিশ্ববিদ্যালয়খনে বহু মানৱ সম্পদ সৃষ্টিৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে নতুন দিগন্তৰ সূচনা কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বিশ্ববিদ্যালয়ত পঢ়ি থকা কালৰ স্মৃতি সোঁৱৰে।

০০০

সমাপ্ত